'চিৰ চেনেহী মোৰ ভাষা জননী'

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

(পঞ্জীয়ন নং ঃ ২/২০০১-২০০২, দিনাংক ঃ ০২-০২-২০০২, অসম সাহিত্য সভা)
কাৰ্যালয় ঃ সাৰ্বজনীন কেন্দ্ৰ, নুমলীগড় শোধনাগাৰ নগৰাঞ্চল, গোলাঘাট-৭৮৫৬৯৯
দূৰভাষ ঃ ০৩৭৭৬-২৭৫০৬০ :: ফেক্স ঃ ০৩৭৭৬-২৬৫৫১৪

দিনাংক ঃ ১০-০৫-২০১৭

## জাননী

### বিষয় ঃ কাঁচিয়লি প্ৰকাশৰ প্ৰস্তুতি

ইয়াৰ দ্বাৰা আমি নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সমূহ সদস্য/সদস্যাৰ জ্ঞাতাৰ্থে জনাবলৈ পাই সুখী হৈছো যে নুমলীগড় শোধনাগাৰৰ সমূহ কৰ্মচাৰী তথা পৰিয়ালবৰ্গ আৰু শোধনাগাৰ নগৰাঞ্চলৰ সমূহ আবাসীৰ পৰা বিগত সময়ছোৱাত লাভ কৰা অকুণ্ঠ সঁহাৰিৰ পৰিপ্ৰেক্ষিতত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ পৰৱৰ্তী দ্বিবাৰ্ষিক অধিৱেশন খনি অহা জুলাই মাহত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত অধিৱেশনৰ সৈতে সংগতি ৰাখি শাখাৰ মুখপত্ৰ "কাঁচিয়লি"ৰ সংকলন এটি প্ৰকাশৰ যো-জা কৰা হৈছে। এই জাননীযোগে "কাঁচিয়লি"ত প্ৰকাশৰ বাবে ইচ্ছুক লেখক-লেখিকাৰ পৰা সুখপাঠ্য গল্প, প্ৰবন্ধ, কবিতা, নাটক, অনুবাদ, মহৎলোকৰ বাণী আদি লিখনি আহ্বান কৰা হ'ল। লিখনিসমূহ পঠোৱাৰ বাবে নিৰ্দ্দিষ্ট নিয়মাৱলী তলত উল্লেখ কৰা হ'ল।

### "কাঁচিয়লি"লৈ লিখনি পঠোৱাৰ নিয়মাৱলী ঃ

১। লিখনিসমূহ ইতিপূৰ্বে প্ৰকাশ নোহোৱা আৰু অসমীয়া ভাষাত লিখা হ'ব লাগিব।

২। অনুবাদ লিখনিৰ ক্ষেত্ৰত মূল ৰচয়িতাৰ অনুমতি পত্ৰ সংলগ্ন কৰিব লাগিব।

৩। ব্যাকৰণ / বানান আৰু ভাষাৰ সুপ্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰা লিখনিক অগ্ৰাধিকাৰ দিয়া হ'ব।

৪। লিখনি সমূহ সুন্দৰ হাতৰ / ছপা আখৰ তথা পৰিষ্কাৰ হ'ব লাগিব আৰু দুটা শাৰীৰ মাজত পৰ্যাপ্ত ব্যৱধান থাকিব লাগিব। লিখনি সমূহ ছপা / লিখাৰ ক্ষেত্ৰত এখিলা কাগজৰ এটি পৃষ্ঠাহে ব্যৱহাৰ কৰে যেন।

৫। কোনো লিখনিৰ ক্ষেত্ৰত শব্দ সংখ্যাৰ বাধ্যবাধকতা নাই।

৬। লিখনিৰ শেষত লেখকৰ নাম, বসবাস তথা কৰ্মস্থলীৰ ঠিকনা বিতংকৈ লিখা থাকিব লাগিব। শিশু লেখক / লেখিকাৰ ক্ষেত্ৰত শিশুৰ নাম, পিতৃ / মাতৃৰ নাম, শ্ৰেণী তথা বিদ্যালয়ৰ ঠিকনা বিতংকৈ লিখা থাকিব লাগিব।

৭। লিখনি জমা দিয়াৰ ঠিকনা - **অজিত কুমাৰ দাস** (পত্ৰিকা সম্পাদক), **সংগম পঞ্চানন** (সম্পাদক), **প্ৰণৱ জ্যোতি শইকীয়া, দিলীপ শইকীয়া, গজেন্দ্ৰ নাথ দাস, পংকজ কুমাৰ বৰুৱা** (সভাপতি)।

৮। লিখনি জমা দিয়াৰ শেষ তাৰিখ (অপৰিৱৰ্তিত) ঃ ৩১ মে', ২০১৭ ইং। অপ্ৰকাশিত লিখনি ঘূৰাই দিয়া নহ'ব।

নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ হৈ -

(সংগম পঞ্চানন)
সম্পাদক

(অজিত কুমাৰ দাস)
পত্ৰিকা সম্পাদক